**প্ৰেছ বাৰ্তা নং ঃ ২১/২০২৩**

## এক শৰণ ভাগৱতী সমাজ, অসমৰ সোণালী জয়ন্তী বৰ্ষৰ প্ৰাদেশিক অধিৱেশন আৰু মহাপালনামৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## পালনাম হৈছে ভক্ত আৰু ভগৱানৰ সংযোগ সাধনৰ এক উপায় ঃ মুখ্যমন্ত্ৰী

### এক শৰণ ভাগৱতী সমাজে স্থাপন কৰা পালনামৰ অনুষ্ঠানৰ বাবে ২ কোটি টকা, ৰংবঙৰ আধ্যাত্মিক ক্ষেত্ৰৰ বাবে ১ কোটি টকা আৰু বেবেজিয়াৰ প্ৰশাসনিক ভৱনৰ বাবে ১ কোটি টকাৰ অনুদানৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** যোৰহাট জিলাৰ মেলেং মেটেলীৰ আচাৰ্য ইলাৰাম দাস বাপ ঈশ্বৰ ক্ষেত্ৰত আয়োজিত এক শৰণ ভাগৱতী সমাজ, অসমৰ সোণালী জয়ন্তী বৰ্ষৰ প্ৰাদেশিক অধিৱেশন আৰু মহাপালনামৰ অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মৰাজি, মহাত্ম্য আৰু গুণাবলী সমাজৰ সৰ্বস্তৰলৈ লৈ গৈ জাতি-ভেদ আৰু বৈষম্যহীন সমাজ গঢ়াৰ লক্ষ্যৰে আচাৰ্য ইলাৰাম দাসে এক শৰণ ভাগৱতী সমাজৰ জন্ম দিছিল। শিক্ষকতা বৃত্তিত নিয়োজিত হৈ থকাৰ সময়ত তেওঁ শিক্ষাৰ্থীসকলক শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে বিভিন্ন দিশত শিক্ষা প্ৰদান কৰাৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ জীৱনৰ পৰাই সংস্কাৰমুখী আৰু নিকা ৰাজনীতিৰ প্ৰতি অনুৰাগী ইলাৰাম দাসক মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শই গভীৰভাৱে প্ৰভাৱিত কৰিছিল। মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাত তেওঁ স্বাধীনতা সংগ্ৰামতো সক্ৰিয়ভাৱে যোগদান কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁৰ শক্তিশালী ব্যক্তিত্ব, সাৱলীল তত্ত্ব গধূৰ ভাষণ আৰু বিচক্ষণ সাংগঠনিক শক্তিৰ বলত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অপ্ৰতিদ্বন্দ্বী বক্তাৰূপে হাজাৰ হাজাৰ লোকক শংকৰদেৱৰ আদৰ্শৰ প্ৰতি আনুগত্যশীল কৰি তুলিবলৈ সক্ষম হৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ইলাৰাম দাসে মহাপুৰুষ দুজনাৰ শুদ্ধ মতবাদ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কেতিয়াও আপোচ কৰা নাছিল। তেওঁৰ ব্যক্তিত্ব বহুমুখী আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৃষ্ণ ভক্তি আৰু গভীৰ সাধনাই কৰ্মজীৱন আৰু আধ্যাত্মিক জীৱনক প্ৰভাৱিত কৰিছিল। আচাৰ্য ইলাৰাম দাসে এক শৰণ ভাগৱতী সমাজ প্ৰতিষ্ঠা কৰি মহাপুৰুষগৰাকীৰ আদৰ্শ প্ৰচাৰৰ দিশত অতি নিষ্ঠাৰে কামত প্ৰবৃত্ত হৈছিল। এক শৰণ ভাগৱতী সমাজ অসমৰ আচাৰ্যপদ গ্ৰহণ কৰি ইলাৰাম দাসে মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ-প্ৰসাৰত মনোনিৱেশ কৰাৰ লগতে সমাজ-সংস্কাৰৰ দিশতো বিশেষ ভূমিকা গ্ৰহণ কৰে। তেওঁ কয় যে মাদক দ্ৰব্য নিবাৰণ, অস্পৃশ্যতা বৰ্জন, অসবৰ্ণ বিবাহ, পিছপৰা জাতি-জনজাতিৰ উন্নয়ন, স্ত্ৰী শিক্ষাৰ প্ৰসাৰ, জাতীয় ঐক্য, সংহতি ৰক্ষা কৰা ইত্যাদিৰ দিশত ইলাৰাম দাসে যথেষ্ট বৰঙণি যোগায়।

তেওঁ কয় যে মহাপুৰুষ জনাৰ বিশুদ্ধ ধূলা-মালা, নামবস্তু আৰু পালনামক এক বিশেষ স্তৰত

উপনীত কৰোৱাৰ দিশত এক শৰণ ভাগৱতী সমাজৰ বিশেষ অৰিহণা আছে। ধূলাৰ লগতে ইলাৰাম দাসে মালাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰিছিল। মহাপুৰুষ গৰাকীৰ সাধন মাৰ্গত ধূলা-মালা আৰু পালনামৰ গুৰুত্ব জনমুখী কৰি তোলাত এক শৰণ ভাগৱতী সমাজৰ ভূমিকা অপৰিসীম আছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে পালনাম হৈছে ভক্ত আৰু ভগৱানৰ সংযোগ সাধনৰ এক উপায়। একান্ত ভকতসকল যথাৰ্থে ভগৱন্ত কৃষ্ণদেৱৰ হৃদয় পদ্মত বাস কৰে। আনহাতে ভকতসকলৰ হৃদয়তো ভগৱন্ত বস্তুৱে বিৰাজ কৰে। পাল নামৰ জৰিয়তে এই মহত্ব উপলব্ধি কৰিব পৰা যায় বুলিও তেওঁ কয়।

অসমত ভক্তি আন্দোলনৰ মূল হোতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা একশৰণ হৰিনাম ধৰ্মৰ তত্ত্ব হৈছে ভগৱান কৃষ্ণই একক পৰম সত্ত্বা আৰু তেওঁক উপাসনা কৰিলে জীৱৰ আত্মিক কল্যাণ সাধন হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শংকৰদেৱৰ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ আধাৰ হ'ল মূলত শ্ৰীমদভগৱত গীতা আৰু শ্ৰীমদভগৱত পুৰাণ। মুখ্যমন্ত্ৰীয়ে কয় যে বৃহত্তৰ ভাৰতীয় সংস্কৃতিৰ সংস্পৰ্শলৈ আহি শংকৰদেৱে অসমৰ সংস্কৃতিত ভাৰতীয় সনাতন সভ্যতাৰ অনুৰণন শুনিবলৈ পাইছিল। মুখ্যমন্ত্ৰীয়ে কয় যে শংকৰদেৱে মানৱীয় প্ৰমূল্যবোধৰ ওপৰত যথাৰ্থ গুৰুত্ব আৰোপ কৰি ধৰ্মমত গঢ়ি তুলিছিল। শংকৰী নীতি দৰ্শনৰ আন এক গুৰুত্বপূৰ্ণ নৈতিক প্ৰমূল্যবোধ অহিংসা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মানুহকে ধৰি সমগ্ৰ জীৱ জগত, উদ্ভিদ জগতৰ প্ৰতি দয়া আৰু প্ৰেমে হৈছে অহিংসা। মানৱতাৰ পূজাৰী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সাংস্কৃতিক আৰু আধ্যাত্মিক দৰ্শনেৰে এক সৰ্বাত্মক ৰূপ প্ৰতিফলিত কৰিছে। তেওঁ কয় যে মানৱতাবাদৰ যি তত্ত্ব তাক অতি বিশালতালৈ লৈ গৈ সমস্ত প্ৰাণীৰ প্ৰতি উদাৰতা, সহনশীলতাৰ এক সুগভীৰ পথ নিৰ্দেশনা গুৰুজনাই আমাক দি গৈছে। মহাপুৰুষ গৰাকীয়ে ধৰ্ম বা সাংস্কৃতিক চেতনাৰে নহয়, সত্ৰ-নামঘৰৰ জৰিয়তে সমাজ জীৱনক নৈতিকতাৰ শিক্ষা প্ৰদান কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই দেখুৱাই যোৱা পথেৰে আগুৱাই অসমীয়া জাতীয়ে দেশ তথা বিশ্বৰ মানচিত্ৰত নিজকে সবলভাৱে প্ৰতিষ্ঠা কৰাত বিগত পাঁচ দশক ধৰি এক শৰণ ভাগৱতী সমাজ, অসমে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

মুখ্যমন্ত্ৰীয়ে কলিয়াবৰৰ একশৰণ ভাগৱতী সমাজে স্থাপন কৰা পালনামৰ অনুষ্ঠানৰ বাবে ২ কোটি টকা, ৰংবঙৰ আধ্যাত্মিক ক্ষেত্ৰৰ বাবে ১ কোটি টকা আৰু বেবেজিয়াৰ প্ৰশাসনিক ভৱনৰ বাবে ১ কোটি টকাৰ অনুদানৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে আচাৰ্য ইলাৰাম দাসৰ জীৱন আৰু কৃতী নৱ প্ৰজন্মৰ সন্মুখত তুলি ধৰিব পৰাকৈ প্ৰয়োজনীয় পদক্ষেপ ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব বুলিও কয়।

আজিৰ এই অনুষ্ঠানত নগৰ আৰু গৃহ নিৰ্মাণ ইত্যাদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদদ্বয় ক্ৰমে তপন গগৈ, কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ৰূপজ্যোতি কুৰ্মী, সমাৰোহৰ সভাপতি প্ৰতাপ চন্দ্ৰ মেধি, একশৰণ ভাগৱতী সমাজৰ আচাৰ্য দেহেশ্বৰ বৰা, উত্তৰ কমলাবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**হেংশঃ**
**২৯/১/২০২৩**